আমাৰ এ.পি.এল.
ĀMĀR APL Vol-006 | January 2022



## New Vice-Chairman of APL



Shri Hemanta Gogoi, the newly appointed Vice Chairman of the Company visited our Head Office on 21.01.2022 at Namrup. He was extended warm welcome by Shri Bikul Ch. Deka, Chairman of the company in presence of Shri Rajnesh Gogoi, Managing Director, Shri KA Murali, Director (Finance) and other senior officials.

## Joining of New Managing Director



On the superannuation of Sri Atul Ch. Barman, MD, APL, Sri Rajnesh Gogoi has been appointed as the Managing Director of APL w.e.f 30.11.2021(evening).

Hon'ble Board of Directors and APL Family extended sincere gratitude to the retired Managing Director for 33 years long dedicated and devoted service to APL and also accorded warm felicitation to the newly appointed MD.

## Visit of Hon'ble Minister of Industries and Commerce



Shri Chandra Mohan Patowary, the Hon'ble Minister of Industries, Commerce & P.E. Department etc. Government of Assam visited the Company's Head Office and 500 TPD Methanol project site at Namrup on 07.12.2021 to review the progress of implementation of the project. Shri Taranga Gogoi , Hon'ble MLA, Naharkatia LAC accompanied the Hon'ble Minister during his visit.

We are grateful to Hon'ble Minister and local MLA for their help, support and valuable suggestions on scheduled completion and commissioning of the project.

We convey our sincere thanks and profound gratitude to Hon'ble Minister and Local MLA for their visit.

## Additional Equity Capital Investment

The Cabinet of the Government of Assam approved the proposed Additional Equity Capital Investment in Assam Petro-Chemicals Ltd. amounting to Rs. 55.25 Crore and Rs. 8.75 Crore by the Govt. of Assam and Assam Gas Company Ltd. respectively in its meeting held on 12th January, 2022. The Cabinet also accorded its approval on enhancement of Authorized Share Capital of the Company from Rs. 500.00 Crore to Rs. 750.00 Crore by amending its Memorandum of Association.

APL conveyed heartfelt gratitude to Dr. Himanta Biswa Sarma, Hon'ble Chief Minister, Assam and other members of the Cabinet for the decisions.

# শুভেচ্ছা বাণী



অসম চৰকাৰৰ অন্তৰ্গত অন্যতম ঔদ্যোগিক প্ৰতিষ্ঠান অসম পেট্ৰ'-কেমিকেলচ লিমিটেডৰ ত্ৰৈমাসিক বাৰ্তাপত্ৰ "আমাৰ এ.পি.এলে" সফলতাৰে ৫ টা সংস্কৰণ প্ৰকাশ কৰি বাৰ্তাপত্ৰখনিৰ ষষ্ঠ সংস্কৰণৰ প্ৰকাশৰ কথা জানিব পাৰি অতিশয় আনন্দিত হৈছো। ইয়াৰ বাবে মই উপদেষ্টামণ্ডলী আৰু সম্পাদনা সমিতিৰ লগতে বাৰ্তাপত্ৰখনিলৈ অৱদান আগবঢ়োৱা এ.পি.এল পৰিয়ালবৰ্গক মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আমাৰ সকলোৰে বাবে গৌৰৱৰ কথা যে, তিনি দশক পূৰ্বৰ ম্যাদ উকলা কাৰখানা আৰু বৰ্দ্ধিত গেছৰ মূল্যকে ধৰি বিভিন্ন বাধা আৰু প্ৰত্যাহ্বানকো নেওচি আমাৰ উদ্যোগটিয়ে বিগত প্ৰায় ৯ মাহত মুঠ ৯৬ কোটি টকাৰ ব্যৱসায়েৰে অভিলেখসংখ্যক ১৫ কোটি টকা লাভ অৰ্জন কৰিবলৈ সক্ষম হৈছে। এয়া উদ্যোগটিৰ পৰিচালক মণ্ডলী, বিষয়া-কৰ্মচাৰী আৰু শুভাকাংক্ষীসকলৰ আহোপুৰুষাৰ্থৰেই ফচল। গতিকে সকলোলৈকে অভিনন্দনৰ লগতে অফুৰন্ত শুভেচ্ছা যাঁচিছো।

নতুন বছৰৰ আৰম্ভনিতে আৰু এক সুখবৰে আমাৰ কৰ্মৰ গতিবেগ ত্বৰান্বিত কৰি তুলিছে। যিহেতু, আমাৰ নৱনিৰ্মিত ৫০০ টন দৈনিক উৎপাদনক্ষম মিথানল প্ৰকল্পৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে, গতিকে চলিত বৰ্ষৰ এপ্ৰিল মাহতেই প্ৰকল্পটো আমি দেশবাসীৰ বাবে উৎসৰ্গা কৰিবলৈ আগবাঢ়িছো।

প্ৰথমে ২১ টনৰ পৰা ১০০ টন আৰু আজি ৫০০ টন দৈনিক উৎপাদনক্ষম মিথানল প্ৰকল্পৰ ৰূপায়ণেৰে উদ্যোগটিয়ে ৫০ বছৰীয়া বৰ্ণিল যাত্ৰা সম্পূৰ্ণ কৰিছে। গতিকে আমাৰ ঈপ্সিত লক্ষ্যপ্ৰাপ্তিৰ বাবে আমি সকলোৰে নিজ নিজ কৰ্তব্য আৰু দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰি যাব লাগিব।

শেষত, আহক আমি সকলোৱে মিলি এ.পি.এলৰ অভিলাষী প্ৰকল্পটিৰ ৰূপায়ণৰ দ্বাৰা আমাৰ উদ্যোগটিক এক জাতীয় সম্পদৰূপে গঢ় দিয়াৰ সংকল্প গ্ৰহণ কৰো।

**বিকুল চন্দ্ৰ ডেকা**
অধ্যক্ষ



জয়জয়তে সমূহ এ.পি.এল বাসী ৰাইজলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনালো। মই জানিব পাৰি সুখী হৈছো যে, অসম চৰকাৰৰ অন্তৰ্গত এক অন্যতম লাভজনক প্ৰতিষ্ঠান অসম পেট্ৰ'-কেমিকেলচ লিমিটেডে "আমাৰ এ.পি.এল" নামৰ এখনি ত্ৰৈমাসিক বাৰ্তালোচনী নিয়মিতৰূপে প্ৰকাশ কৰি আহিছে আৰু আজি এই বাৰ্তালোচনীখনিৰ জৰিয়তেই মোৰ মনৰ দু-আষাৰ কথা ব্যক্ত কৰিবলৈ পাই অতিশয় আনন্দিত আৰু গৌৰৱ অনুভৱ কৰিছো।

যোৱা ০৮/০১/২০২২ তাৰিখে মোৰ দুজন ভ্ৰাতৃপ্ৰতিম শুভাকাংক্ষীৰ পৰা অসম চৰকাৰে মোক এ.পি.এলৰ উপাধ্যক্ষ হিচাবে দায়িত্ব অৰ্পন কৰাৰ সম্পৰ্কে মই অৱগত হওঁ আৰু যোৱা ২১/০১/২০২২ তাৰিখে মই এ.পি.এললৈ আহি আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰো।

এনে এক গধুৰ দায়িত্ব সুচাৰুৰূপে পৰিচালনা কৰাৰ মোৰ যোগ্যতা আছে নে নাই মই নেজানো। কিন্তু বিগত ৯০ দশকৰ পৰা বিভিন্ন অনুকূল আৰু প্ৰতিকূল পৰিস্থিতিৰ মাজতো এটা দায়িত্বশীল ৰাষ্ট্ৰীয় সংগঠনৰ বিভিন্ন দায়িত্ব আৰু সামাজিক দায়বদ্ধতা নিষ্ঠাৰে পালন কৰি আহিছো। তেনে এক দীৰ্ঘদিনীয়া অভিজ্ঞতাৰে সমৃদ্ধ হৈয়েই মই অনুভৱ কৰো যে, মোৰ গাঁৱৰ দাঁতিকাষৰীয়া এই উদ্যোগটিত কৰ্মৰত প্ৰতিজন বিষয়া-কৰ্মচাৰীয়ে যদি সন্মিলিতভাৱে নিষ্ঠাৰে নিজ নিজ কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰি যায় তেন্তে উদ্যোগটিৰ জয়যাত্ৰা অব্যাহত থাকিব।

বৰ্তমান এ.পি.এলৰ অভিলাষী দৈনিক ৫০০ টন উৎপাদনক্ষম মিথানল প্ৰকল্পৰ কাৰ্য পূৰ্ণগতিত চলি আছে। প্ৰকল্পটিৰ উৎপাদনৰ শুভাৰম্ভনিৰ লগে লগেই অসমৰ ঔদ্যোগিক জগতত এক নৱযুগৰ সূচনা হ'ব।

এই আপাহতে অসম জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগতে অসম মন্ত্ৰীসভাৰ মাননীয় সদস্যসকল, স্থানীয় বিধায়ক শ্ৰীযুত তৰংগ গগৈ, উদ্যোগটিৰ সন্মানীয় অধ্যক্ষ শ্ৰীযুত বিকুল ডেকা ডাঙৰীয়া, পৰিচালন সঞ্চালক শ্ৰীযুত ৰাজনীশ গগৈ ডাঙৰীয়া সহিতে সকলো বিষয়া-কৰ্মচাৰী আৰু লগতে মোক উৎসাহিত কৰিবলৈ অহা বিভিন্ন দল-সংগঠনৰ সকলো সদস্যলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো।

অনাগত দিনত এ.পি.এলৰ উন্নয়নৰ হকে দেহে-মনে কাম কৰি যোৱাৰ সংকল্পৰে-

**হেমন্ত গগৈ**
উপাধ্যক্ষ, এ.পি.এল

## 73rd Republic Day

APL celebrated Country's 73rd Republic Day with patriotic fervor and enthusiasm following Covid-19 protocols.

Shri Rajnesh Gogoi, Managing Director, APL unfurled the National Tricolor. He also inspected the 'Guard of Honour' by the security personnel of APL.Besides best performance award was accorded to 5 nos. of security personnel during the celebration.

Likewise, Republic Day was also celebrated at APL' s Boitamari Project Office , Bongaigaon with pomp and gaiety.







## Message from MD's Desk



Dear Colleagues,

It gives me immense pleasure to share few words of appreciation and gratitude through this platform 'Amar APL' from this prestigious desk. I take much pride to assume the charge of Managing Director of APL on 30.11.2021 (evening) during the Golden Jubilee Year of the company.

As we all know that the future of APL is here with the implementation of the ongoing 500 TPD and 200 TPD Methanol plants at Namrup and Boitamari respectively which is the dream of every APLians. The glorious journey from 23 TPD Methanol & 37 TPD Formalin to 100 TPD Methanol & 125 TPD Formalin and now the ambitious 500 TPD Methanol expansion project, our existing plants have always remained as the main pillar of strength for the company and the ongoing Plants will also serve as the imperative medium to keep the legacy of the company intact for coming 50 years.

We have to prepare and set our vision and mission for the coming 50 years & with the commissioning of 500 TPD Methanol Plant there will be more opportunities, responsibilities as well as challenges. As the Covid pandemic has shown us that the future can be very uncertain, with the economy of the entire world coming to a standstill, this is also the time we as a growing organization need to be more resilient, be future ready and adapt to the rapidly changing business environment.

Developing a future ready workforce requires focussing on encouraging a culture of innovation, attracting and retaining skilled persons and providing continuous training to upskill the workforce. This will be something on top of my agenda in the coming few years, as we move forward to be one of the biggest producers of Methanol in the country.

As the Indian petrochemical industry moves into the future, the pace of accelerated change, due to evolving economic, social, environmental and innovation expectations is only expected to quicken. To thrive in the future we at APL shall also need to consider implementing a series of targeted, strategic initiatives across major functional areas such as R&D, talent , technology and new business models that sustain growth.

Let us wish for a bountiful and promising future with the commitment to act responsibly towards our society and environment all together.

**Rajnesh Gogoi**

## Message from Director (Finance)



With immense pleasure I would like to congratulate our newsletter editorial committee for successful publication of the earlier issues and wish good luck for the upcoming ones.

It's a matter of pride for all of us that despite all odds our company has been able to make a profit of around Rs. 15 crores in last 9 months. Kudos to all the employees of APL for their continued dedication and effort for the greater good of the company.

Since the outbreak of Covid-19 in 2020, the whole world economy suffered a serious setback. Pertaining to the completion of our 500 TPD Methanol Project, continuation of 24x7 running plants, selling of our products by competing with the international market, we faced many challenges, but overcoming through all the challenges in past months APL is moving forward with great dedication and motivation each day with its hardworking and supportive work force by its side to accomplish the Company's goal along with the successful completion of our expansion project.

Hence our effort is to be continued as a TEAM so that our Company will emerge as a Global Player in the petrochemicals sector and our upcoming expansions projects will serve as the strongest pillar to complete our journey of future 50 years.

Hoping for the best for the Company.

**K.A. Murali**

**yat bhāvo-tat bhavati**

**(You Become What you believe)**

## Inauguration of Domestic PNG





Sri Taranga Gogoi, Hon'ble MLA Naharkatia LAC inaugurated the Domestic Pipe Natural Gas, in the gracious presence of Sri Bikul Ch. Deka, Chairman,APL and other top officials of APL & AGCL Duliajan and members of APL family on 30.11.2021 at APL township in association with AGCL, Duliajan.

## Fragrance of APL

The clinging sound rings in the air

And suddenly a bunch of kids pass racing against the evening breeze

Through the rows of Krishnachura trees,

Filling the silent colony lanes with innocent laughs,

Everyone chattering

Busy in their own world

Happy with their SoanPari and Shakalaka Boom Boom,

Dance practices today

And singing classes tomorrow

Living the most cheerful days of childhood!!

Today these kids have grown up

Busy with their own lives

Trying to live the dream once they saw,

With little contact amongst them.

But the seats of that yellow school bus,

Stage of the club where they danced for the first time,

And the playgrounds will always hold their golden memories!!!

**Miss Ayushri Borgohain**
Cotton University
D/o Manojyoti Borgohain

# Photo Story

## Visit of Hon'ble CM of Assam



APL extended profound gratitude to our Hon'ble Chief Minister of Assam, Dr. Himanta Biswa Sarma for visiting Namrup on 05.01.2022.

## Visit to the office of respected Chief Secretary and Principal Secretary





Shri Rajnesh Gogoi, MD, APL visited respected Chief Secretary to the Government of Assam Shri Jishnu Barua, IAS and Principal Secretary to the Government of Assam, Industries and Commerce and PE Department Dr. K.K. Dwivedi, IAS on 18.12.2021.




50th Annual General Meeting of the Company



Visit of Hon'ble Chairman & MD-Designate at Boitamari Project Office on 23.11.2021



Warm felicitation to Shri Utpal Borah on 23.11.2021, who had been an Independent Director on the Board of APL from 29.12.2010 to 26.07.2020

## সম্পাদকীয়

**প্ৰত্যাহ্বান, সম্ভাৱনা আৰু প্ৰত্যাশা-নৱবৰ্ষৰ**

শীতৰ কুঁৱলীৰ আচ্ছাদন ভেদি পুৰণি সাজ সলাই শুভ্ৰ লাস্যময়ী বেশেৰে উদ্ভাষিত হোৱা নৱবৰ্ষৰ প্ৰথমটো ৰৌদ্ৰজ্জ্বল পুৱাৰ আগমনৰ লগে লগে অতীত হৈ যায় এটা বছৰ। পাৰ হৈ যোৱা বছৰটোৰ চিন্তা- দুঃচিন্তা, পোৱা-নোপোৱাৰ দুখ-বেদনা কাতি কৰি থৈ নতুন উৎসাহ-উদ্দীপনা, উদ্যম, পৰিকল্পনা, প্ৰতিশ্ৰুতিৰে সকলোৰে মন-প্ৰাণ সতেজ কৰি সু-দিনৰ সু-প্ৰভাতৰ ভৰুন আশাত সংকল্পবদ্ধ হয়।

যাত্ৰাপথত আহিব পৰা বিভিন্ন ঘাত-প্ৰতিঘাত, প্ৰত্যাহ্বান অতিক্ৰম কৰি তীব্ৰ গতিত উত্তৰণৰ দিশে ধাৱিত হোৱাৰ লগেলগে উন্মোচিত হৈ পৰে সম্ভাৱনাৰ অজস্ৰ দুৱাৰ আৰু সেই সম্ভাৱনাসমূহক নিজৰ প্ৰজ্ঞা, বিচাৰ-বুদ্ধিৰ উপযুক্ত সমাহাৰেৰে সু-ব্যৱহাৰ কৰিব পাৰিলেই সাধন কৰিব পাৰি আকাংক্ষিত প্ৰত্যাক্ষাসমূহ।

বিগত দুটা বছৰৰ ক'ৰনাৰ ত্ৰাস আৰু লকডাউনৰ দৰে আৰ্থিক বিভীষিকাময় পৰিস্থিতিৰ মাজতো এক সুদৃঢ় স্থিতি গ্ৰহণেৰে এ.পি.এলে সন্মুখীন হৈ অহা প্ৰত্যাহবানসমূহ অতিক্ৰম কৰি আজি এক সোণোৱালী ভৱিষ্যতৰ দিশে অগ্ৰসৰ হৈছে আৰু ন ন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দেশ তথা জাতিৰ প্ৰত্যাশা পূৰণৰ সপোন ৰচিছে।

ঔদ্যোগিক ক্ষেত্ৰখনত ৰাজ্যখনক আগুৱাই লৈ যোৱাত অগ্ৰনী ভূমিকা লোৱাৰ উপৰিও প্ৰতিস্থানটিয়ে সৃষ্টি কৰিব পৰা এক অনুকূল পৰিবেশৰ বাবেই সেই তাহানিৰে পৰা ইয়াৰ সৰু আৱাসিক এলেকাটোত সৃষ্টি হৈছিল অলেখ উপযুক্ত মানৱ-সম্পদৰ। এ.পি.এল.ৰ ধূলি-বালিৰ পৰশত ওমলি-জামলি শৈশৱ-কৈশোৰ এৰি থৈ যোৱা বহু এ.পি.এল সন্তানে আজি নিজ দেশৰ উপৰিও বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন প্ৰতিস্থানত নিজ নিজ ক্ষেত্ৰসমূহত উল্লেখনীয় সেৱা আগবঢ়াই আহিছে। ক্ৰীড়া, সংস্কৃতি, সুকুমাৰ কলা, অভিনয় আৰু সাহিত্যৰ বিশাল ক্ষেত্ৰখনলৈও বহুকেইজন এপিলিয়ানে উল্লেখনীয় অৱদান আগবঢ়াই নিষ্ঠা আৰু সততাৰে জাতীয় দায়িত্ব পালন কৰিবলৈ সক্ষম হৈছিল।

কিন্তু বৰ্তমানৰ জটিল সময়, প্ৰাচুৰ্যতা আৰু উত্তৰ আধুনিকতাই সংগোপনে কঢ়িয়াই অনা বৌদ্ধিক ঔদাসিন্য আদি কাৰকৰ বাবে ক্ৰমান্বয়ে সৰ্বস্তৰতে দুখ লগাকৈ স্থবিৰ হৈ পৰিছে এই সমূহৰ চৰ্চা আৰু সাধনা। গ্ৰন্থ তথা ছপা মাধ্যমৰ প্ৰতিও কিছু অনীহা আৰু প্ৰত্যাহ্বান অহাৰ এই সন্ধিক্ষণতে অৱশ্যে নতুন প্ৰজন্মৰ এচাম দায়িত্বশীল তৰুণ-তৰুণীৰ সৰল আত্মপ্ৰকাশে প্ৰতিটো ক্ষেত্ৰকে পুনৰ জীপাল কৰি তোলাত কিছু আশাৰ ৰেঙনিয়ে ভুমুকি মাৰিছেহি।

এ.পি.এলো ইয়াৰ ব্যতিক্ৰম নহ'ব নিশ্চয়। নৱবৰ্ষৰ প্ৰত্যুষতে আমি সকলোৱে এক গভীৰ প্ৰত্যাশাৰে অপেক্ষা কৰিছো অনাগত সেই সু-দিনবোৰলৈ।

**মনোজ্যোতি বৰগোহাঁই**

## এ.পি.এল - এক মিঠা সোঁৱৰণ

**(যোৱা সংখ্যাৰ পাছৰ পৰা)**

আমাৰ চাকৰি নিয়মীয়া হোৱাৰ পাছত আমাক যি হাৰত বেতন দিয়া হৈছিল সি আছিল তেনেই কম। ছিনিয়'ৰ গ্ৰুপৰ বাবে আহিল ৪৫০ টকা আৰু জুনিয়ৰ গ্ৰুপৰ বাবে আছিল ৩৫০ টকা। দুটা বছৰ প্ৰশিক্ষণ লোৱাৰ অন্তত এই দৰমহাত আমি সন্তুষ্ট হোৱা নাছিলো।

চাকৰিত যোগদান কৰাৰ কিছুদিনৰ পাছতে আমি সকলোৱেই ইতিমধ্যে পঞ্জীয়ন কৰি থোৱা শ্ৰমিক ইউনিয়ন "অসম পেট্ৰ'ৰাসায়নিক শ্ৰমিক সংঘ" ত যোগদান কৰো। ইউনিয়নৰ ছত্ৰছায়াতে যে শ্ৰমিকৰ প্ৰাপ্য বিচাৰি সংগ্ৰাম আগবঢ়াই নিব পাৰি সাৰ কাৰখানাত প্ৰশিক্ষণ লোৱাৰ সময়তে তাক উপলব্ধি কৰিব পাৰিছিলো। সাৰ কাৰখানাৰ দুই প্ৰগতিবাদী শ্ৰমিক নেতা স্বদেশ দেৱৰয় আৰু গঙ্গেশ্বৰ গগৈৰ দৰে ব্যক্তিৰ সান্নিধ্য লাভ কৰি আমি প্ৰভাৱিত হৈছিলো। সাৰ কাৰখানাৰ শ্ৰমিক সংঘৰ সংবিধানখনকে অলপ সালসলনিৰে আমিও গ্ৰহণ কৰি সেই সংবিধানৰ আধাৰতে দুশৰো অধিক সদস্যৰে গঠিত আমাৰ ইউনিয়নখনৰ পোন প্ৰথমবাৰৰ বাবে ১৯৭৬ চনত Selection প্ৰক্ৰিয়াৰে ইয়াৰ বিষয়ববীয়াসকল নিৰ্বাচিত কৰা হৈছিল। সেই মৰ্মে শ্ৰীযুত নৰেন ডেকাক সভাপতি আৰু মোক সাধাৰণ সম্পাদক হিচাবে select কৰা হয়। সেই সময়তেই ইউনিয়নৰ ফালৰ পৰা আমি আৱাস গৃহ নিৰ্মাণ, স্কুল, চিকিৎসালয় আদি স্থাপন কৰিবৰ বাবে কৰ্ত্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰিছিলো।

১৯৭৭ চনত সংবিধান অনুসৰি ইউনিয়নৰ আনুষ্ঠানিক নিৰ্বাচন অনুষ্ঠিত হয় য'ত পুনৰবাৰ নৰেন ডেকাক সভাপতি আৰু মোক সাধাৰণ সম্পাদক হিচাবে জয়যুক্ত কৰে। সেইদৰে অন্যান্য পদবীসমূহত ভুবন চেতিয়া, ৰবীন চুতীয়া, প্ৰণৱ হাজৰিকা, অচ্যুৎ খাউণ্ড আদি ব্যক্তিসকল জয়যুক্ত হয়। সেই বছৰেৰে মাজভাগত এ.পি.এল. শ্ৰমিক সংঘই কৰ্ত্তৃপক্ষৰ ফালৰ পৰা আনুষ্ঠানিক স্বীকৃতি লাভ কৰে।

সেই তেতিয়াৰে পৰা ১৯৯৪ চনলৈকে বিভিন্ন ঘাত-প্ৰতিঘাত, সফলতা-বিফলতাৰ মাজেদি শ্ৰমিক সংঘক সন্মুখৰ পৰা নেতৃত্ব দি প্ৰতিস্থানটোৰ উন্নতিৰ হকে কাম কৰি গৈছিলো। সেই সময়ত ইউনিয়নে কৰা এটা গুৰুত্বপূৰ্ণ কাম আছিল কোনো কৰ্মচাৰীৰ অকাল বিয়োগ হ'লে তেওঁৰ নিকট আত্মীয়ক দক্ষতা অনুযায়ী নিযুক্তি প্ৰদান।

১৯৯৪ চনৰ পাছৰ পৰা এ.পি.এল. বিষয়া সন্থাৰ বিষয়ববীয়া হিচাপেও কেইবাবছৰলৈকো সেৱা কৰাৰ সুযোগ লাভ কৰি কৃতাৰ্থ হৈছিলো। এ.পি.এল. লৈ নিয়মিতভাৱে প্ৰাকৃতিক গেছৰ যোগান সুনিশ্চিত কৰা, সংশোধিত হাৰত দৰমহা প্ৰদান কৰা আদি অত্যন্ত জৰুৰী কামবিলাক আমি উপযুক্ত কৰ্ত্তৃপক্ষৰ লগত গঠনমূলক আলোচনা-বিলোচনাৰ জৰিয়তে সমাধা কৰাত সক্ষম হৈছিলো।

আমাৰ সৰু আৱাসিক কলনীখনৰ সামাজিক জীৱন আছিল অতি মধুৰ আৰু একতাৰ ডোলেৰে বান্ধ খোৱা। তাত সৰু-বৰ, উচ্চ পদবীধাৰী-নিম্ন পদবীধাৰীৰ পাৰ্থক্য নাছিল। কোনো এজন বেমাৰত পৰিলে সকলোৱে উবুৰি খাই পাৰ্যমানে সহায় কৰিছিল। বিভিন্ন উৎসৱ-পাৰ্বনতো একত্ৰিত হৈ আমি ৰং-ধেমালি কৰিছিলো। সেই দিনবোৰৰ স্মৃতি আজিও মানস-পটত সজীৱ হৈ আছে। স্বৰ্ণ-জয়ন্তী বৰ্ষৰ এই মাহেন্দ্ৰ ক্ষনত এ.পি.এল পৰিয়ালৰ সকলোটিলৈকে মোৰ শুভেচ্ছা যচাৰ লগতে সমাপ্তিৰ দিশলৈ গতি কৰা নিৰ্মীয়মান মিথানল প্ৰকল্পটিৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

**শ্ৰীযুত প্ৰকাশ বৰঠাকুৰ**
**অৱসৰপ্ৰাপ্ত প্ৰৱন্ধক (ইনষ্ট্ৰুমেনটেচন)**

## মনৰ মণিকোঠাত এ.পি.এল. স্কুল

দীঘল বেণীৰে নাক জোঙা মানুহ এগৰাকীয়ে আমাৰ চুবুৰীৰ সৰু ল'ৰা-ছোৱালীবোৰক মৰ্টন দি ফুচুলাই ক'ৰবালৈ লৈ গৈছিল। মৰ্টনৰ লোভতে চাৰি বছৰীয়া ময়ো তেখেতৰ পিছ লৈছিলো। তেখেতে লৈ যোৱা কাঠৰ বাটাম লগোৱা ঘৰটোৰ নাম হেনো স্কুল। এ.পি.এল. এল.পি. স্কুল আৰু তেনেদৰেই জীৱনত প্ৰথম পৰিচয় হৈছিলো স্কুলৰ সৈতে। স্কুললৈ লৈ যোৱা মানুহ গৰাকী আছিল বিমলী বৰুৱা বাইদেউ। স্কুলৰ একমাত্ৰ শিক্ষক। শাৰী শাৰী ডেস্ক বেঞ্চত বহি মুখা মুখি হৈছিলো পোন প্ৰথমবাৰৰ বাবে আনুষ্ঠানিক শিক্ষাৰ সৈতে। তাৰ পাছত লগ পালো ৰঞ্জু বাইদেউ, হৰনাথ গগৈ ছাৰক। আখৰ, বানান, কণ্টকৰামৰ বুদ্ধি, যোগ বিয়োগ, জমাখৰচ, কি ক'ত কিয় বিখ্যাত, মানচিত্ৰৰ জ্ঞানেৰে সমৃদ্ধ হ'লো। স্কুল মানে কেৱল শিক্ষকসকলেই আমাৰ সৈতে জড়িত নাছিল। আমাৰ সৰু কলনীখনৰ প্ৰায় প্ৰতিজনলোকেই আছিল আমি শিশুসকলৰ প্ৰতি সদা সচেতন। আমাক শাসন কৰিবলৈ, নতুন কিবা শিকাবলৈ অনবৰতে তেখেতসকল আছিল তৎপৰ। তেনেকৈয়ে এদিন আমাৰ কলনিত জন্ম হৈছিল "সংগীত চয়নিকা" নামৰ সংগীত বিদ্যালয়খনিৰ।

*continue to P-6*

continued from P-5

ৰোষ বৰুৱা ছাৰ আছিল আমাৰ গুৰু। তেখেতক সহায় কৰিবলৈ আগবঢ়ি আহিছিল ভুবন চেতিয়া বৰদেউতা, কিনাৰাম বৰুৱা বৰদেউতা, পদ্ম তালুকদাৰ খুৰা, কে এম বিশ্বাস আংকল, কিশোৰী মোহন দাস খুৰা, সুৰভি বৰুৱা আন্টি আদি আমাৰ কলনিৰ সাংস্কৃতিক মনৰ মানুহখিনি। মানুহৰ ঘৰে ঘৰে গৈ তেখেতসকলে ল'ৰাছোৱালীক গানৰ স্কুললৈ পঠাবলৈ অনুৰোধ কৰিছিল। তেনেকৈয়ে পোন প্ৰথমবাৰৰ বাবে সংগীতৰ সৈতে পৰিচয় ঘটিছিল।

মই দ্বিতীয় শ্ৰেণীত তেতিয়া। ক্লাচতে বিমলী বাইদেৱে মোৰ নাম ধৰি মাতিলে। মোৰ বুকু কঁপি গ'ল কিবা দোষ কৰিলো বুলি। ভয়ে ভয়ে বাইদেউৰ কাষ পালোগৈ। বাইদেৱে লক্ষ্মীনাথ বেজবৰুৱাৰ "আমি অসমীয়া নহওঁ দুখীয়া" বুলি কবিতা এটা মুখস্থ কৰি আবৃত্তি কৰিবলৈ শিকালে। মই কেৱল মাত্ৰ বাইদেউক অনুকৰণ কৰিলো। আবৃত্তি কি বস্তু মই নাজানোৱেই। দুদিন পিচত বাইদেৱে ক'লে এই কবিতাটো আবৃত্তি কৰিবলৈ মোক হেনো তেতিয়াৰ এইচ. এফ. চি. ক্লাবলৈ লৈ যাব। কথা মতেই কাম। বাইদেউ আৰু তেতিয়াৰ এ. পি. এলৰ সৰবৰহী মহিলা সেউতি কাকতি বৰমাই মোক নি ক্লাবৰ ষ্টেজত উঠাই দিলে। ষ্টেজত উঠি কি কৰিলো মই নিজেই নাজানিলো। সন্মুখত মাইক, ষ্টেজৰ সন্মুখৰ মানুহতকৈ কাষৰ গ্ৰীণ ৰুমৰ পৰা ভাঁহি আহিছিল গৰম চিঙৰাৰ গোন্ধ আৰু তাকে খাবলৈ পোৱাৰ হেঁপাহহে মোৰ তীব্ৰ হ'বলৈ ধৰিলে। কোনোমতে বাইদেৱে যেনেকৈ শিকাইছিল তেনেকৈ কবিতাটো আবৃত্তি কৰি মই ষ্টেজৰ পৰা নামি আহিলো। দৰ্শকে হাতচাপৰি বজালে। বাইদেউ আৰু সেউতি বৰমাই মোৰ গালে মূৰে হাত ফুৰাই দিলে। মোৰ সেইবোৰৰ প্ৰতি লক্ষ্য নাই। গ্ৰীণ ৰুমত বেঞ্চত বহুৱাই এগৰাকী মহিলাই মোৰ আগত দিয়া গৰম চিঙৰাটোৱেই আছিল পৰম প্ৰাপ্তি। একান্তমনে চিঙৰাটো খাই থাকোঁতে কেবাগৰাকীও মহিলাই মোক মৰম কৰি ক'লে "তুমি বৰ সুন্দৰ আবৃত্তি কৰিছা"। বাইদেৱে ক্লাবৰ পৰা আনি মোক ঘৰত থৈ যাওঁতে মাকো একে কথাকে ক'লে। পিচদিনা স্কুললৈ যাওঁতে স্কুলৰ প্ৰাৰ্থনা সভাত মোক সন্মুখলৈ মাতি সকলোৱে আগত কোৱা মোৰ এতিয়াও মনত আছে "মাহমুদাই যোৰ কালি এইচ.এফ.চি ক্লাৱত জয়মতী দিৱসৰ কাৰণে পতা আবৃত্তি প্ৰতিযোগিতাত অসম সংগীত কবিতাটো আবৃত্তি কৰি প্ৰথম পুৰস্কাৰ পালে। তাইক হাত চাপৰি বজাই উৎসাহ দে চবেই" এয়া মাত্ৰ কেইখনমান খণ্ডচিত্ৰহে। এনে বহু স্মৃতি মনৰ মাজত জীৱ কৰি আছে, যিবোৰ ঘটনা পৰিঘটনাই কেৱল ময়েই নহয়, আমাৰ সমসাময়িক সকলো ল'ৰা-ছোৱালীৰে সৰ্বাংগীণ বিকাশত সৰ্বতোপ্ৰকাৰে সহায় কৰিছিল আৰু কৰি আহিছে।

আজিও মনত আছে এটা উদ্যোগৰ বিকাশৰ বাবে কিদৰে তাৰ শ্ৰমিক-বিষয়াই অন্তঃকৰণেৰে সহায় আগবঢ়াইছিল, শ্ৰমিকৰ ন্যাৰ্য প্ৰাপ্যৰ বাবে কিদৰে গণতান্ত্ৰিক প্ৰথাৰে আন্দোলন কৰিছিল। শিক্ষাৰ বিকাশৰ বাবে কিদৰে তৎপৰ আছিল উদ্যোগটোৰ শ্ৰমিক, বিষয়া সকলো। মই ভাবো এ.পি.এল. ৰ সেই সমাজ ব্যৱস্থা তথা শৈক্ষিক পৰিৱেশৰ ফালৰ পৰা এ.পি.এলে অসমৰে এখন ৰোল মডেল নগৰী বুলি স্বীকৃতি পোৱা উচিত।

**মাহমুদা বেগম**
**প্ৰাক্তন ছাত্ৰী, এ.পি.এল. হাই স্কুল**

## দাগ (অনুগল্প)

টিউচনলৈ বুলি চাইকেলেৰে গৈ থকা ৰীমাক ন শিকাৰু মহিলাগৰাকীয়ে তেওঁলোকৰ অত্যাধুনিক গাড়ীখনেৰে খুন্দিয়ালত ৰীমা ছিটিকি দূৰৈত পৰিলগৈ।

মহিলা গৰাকী আৰু তেওঁৰ স্বামীয়ে লগে লগে গাড়ীৰ পৰা নামি ৰীমাৰ ফালে বেকাঁকৈও নোচোৱাকৈ গাড়ীখনৰ যি অংশই ৰীমাক খুন্দিয়াইছিল তাত চুই চাই কলে "ৰক্ষা দাগ যে নালাগিল"।

বিষে-কোপে পৰি থকা ৰীমাৰ বিষটোৱে এইবাৰ বুকুলৈকে উজাই আহিল।

**ৰীতাঞ্জলী বৰগোহাঁই ফুকন**
**W/o গৌতম ফুকন**

## আঘোণ - এক নষ্টালজিয়া

ঠেৰেঙা লগা পথাৰখনে
কুঁৱলীৰ নিহালিখন আঁতৰাই থলে,
ধানৰ পাতত ছিটিকি পৰা ৰ'দ জাকত
ভৰুণ সপোন এটাই এঙামুৰি দিলে।
নিয়ৰত সেমেকা বাটৰ ধূলি গছকি
দাৱনি এজাক পাৰহৈ গ'ল,
জুহালত আয়ে যতনাই দিয়া
তপত চাহৰ জুতি সামৰি
পিতায়ে লেখ ললে,
চাওঁতে চাওঁতে আঘোণৰ আজি
এপষেক গ'ল,
লখিমী আদৰিবৰে হ'ল।
জঠৰ দুপৰীয়াবোৰত বালিমাহীৰ ধেমালি,
শুকান নৰানীৰ মাজেৰে উফৰি আহে
ৰবাব টেঙাৰ টকালি।
গোবৰ মাটিৰে লিপা চোতালত
মুঠা-মুঠে ডাঙৰি,
বৰা, জহা, চকোৱা, মাণিকী-মাধুৰী ...।
ন-চাউলৰ মলমলীয়া গোন্ধত
পেটৰ ভোকটো উজাই আহে,
ন-মুঠিৰ আয়োজনত ওখল মাখল
সুমথিৰাৰঙী আবেলি।
লেছেলি বুটলা শেশৰে মেলে ঢাপলি
আঘোণে কঢ়িয়াই চহা গল্প, চহা জীৱনৰ চানেকি।।

**জাহ্নৱী বৰা শইকীয়া**
**W/o ঋতুৰাজ শইকীয়া**

## চাবষ্টিটিউট (কথাগল্প)

"হেৰা আজি দেখোন শেনৰ এজাত। ৰাতিপুৱাৰে পৰা মন কৰিছো, মুখৰ পৰা গানৰ গুণগুণনি নুগুচাই হ'ল, মিচিকিয়া হাঁহিটো ওঁঠত লৈ ইফালৰ পৰা সিফালে মাকো মাৰি ফুৰিছা। এতিয়াও গালত ভেজা দি কিনো আকাশ-পাতাল ভাবি আছা? হয় বোলো কেছটো কি?"

"আসঃ... ভাবিয়েই ভাল লাগিছে। যেতিয়া তাৰ দুহাতৰ বজ্ৰকঠিন মুঠিৰ ওপৰত মোৰ দুয়োহাতেৰে আলফুলে স্পৰ্শ কৰিম, কি যে অনন্য শিহৰণ লভিম। দুয়ো যেতিয়া হাতে হাতে ধৰি পথৰ কাষেৰে আগবাঢ়ি যাম, হয়তো বহুতেই ঈৰ্ষাৰ চকুৰে চাব আমাৰ দুয়োকে, যিদৰে ময়ো আনক চাইছিলোঁ। তাৰ শৰীৰৰ ৰঙে মোৰ গালে-মুখে যেন গোটেই ফাগুনৰ ৰঙৰ আভাহে ছটিয়াই দিব। মোৰ দুহাতেৰে যেতিয়া তাৰ দুহাতত মৃদুকৈ হেঁচা মাৰি ধৰিম, আসঃ... মোৰ হৃদয়ৰ স্পন্দনৰ লগতে যে আমাৰ গতিও দুৰ্বাৰ হ'ব। মাজে-সময়ে হাতৰ মুঠি শিথিল কৰিলেই যে আমাৰ গতিও স্তিমিত হ'ব।। যিমানেই আগুৱাম মলয়াৰ বায়ে মোক গালে-মুখে বাৰুকৈয়ে কোবাব, কাণৰ কাষৰ অলকাকেইডালেও সঁহাৰি জনাব। ভাবিয়েই মোৰ গা-মন পুলকিত হৈ উঠিছে। কিমান যে..."

"...হেই ৰ'বা, ৰ'বা হে। কি এইবোৰ আবোল-তাবোল বকি আছা হে? কোন সি? কাক লৈ ফাগুনৰদৰেই এই বয়সতো ইমান উতলা হৈ আছা?"

"মোৰ কৈশোৰৰ সপোন সি, যৌৱনৰ হেঁপাহ... কিমান যে সপোন আছিল তাক নিজৰ কৰাৰ। একমাত্ৰ দাদাৰ বাবেই মই তাক নাপালো।"

"কি।।। তোমাৰ লাজ নালাগিল নে স্বয়ং তোমাৰ মানুহজনৰ আগত এইবোৰ কথা কৈ আবেগিক হ'বলৈ? ল'ৰা ডাঙৰ হৈছে এতিয়া, সি কি শিক্ষা পাব

continue to P-7

continued from P-6

এইদৰে। তোমাৰ এতিয়া কমোৰা-তুলা হৈ উৰিবলৈ বয়স নাই আৰু...”

“এহ থোৱাহে, ময়ো জানো -- দস্তুৰমত এই সাতষষ্ঠী কিলো ওজনেৰে এই বিৰাল্লিশ বছৰ বয়সত মই কমোৰা-তুলা হৈ উৰিব নোৱাৰোঁ। কিন্তু, মোক তাৰ প্ৰয়োজন আছে। মই তাক তোমাৰ চাবষ্টিটিউট হিচাপেহে ৰাখিম। অৱশ্যে তাক নিজৰ কৰি নাপালেও কিন্তু লগৰ ছোৱালীৰ সহায়ত তাৰ সংস্পৰ্শলৈও নহাকৈ থকা নাছিলোঁ। সঁচা, তাৰ সাহচৰ্যই আত্মবিশ্বাস জগায়, বহুতো কামৰ বাবে সাহসী কৰি তোলে, জীৱনটো সহজ হৈ উঠে...”

“ছিঃ ছিঃ, তুমি ইমান নিলাজ হ’ব পাৰিলা। ইমান দিনে মোৰ পৰা এইবোৰ কথা লুকুৱাই ৰাখিলা। এই বয়সত তুমি মোৰ চাবষ্টিটিউট ৰাখিবা? এইবোৰ দিন দেখাৰ আগতেই মই মৰি নগলো কিয়? কি দিয়া নাছিলোঁ তোমাক, টকা-পইচা, গাড়ী-ঘৰ? অবাধ স্বাধীনতা পোৱাৰ বাবেই আজি এই অৱস্থা হ’বলৈ পালে...”

“সঁচা, তাৰ বাবে তুমি ধন্যবাদৰ পাত্ৰ। তোমাৰ বাবেইতো মই ইমানখিনি সাহস কৰিব পাৰিলোঁ। তুমি সকলো দিলেও কিন্তু মোক সময় দিব পৰা নাছিলা। সদায় ক’ৰবালৈ যাবলৈ হ’লে ওলাই মেলি ৰৈ থাকো, অথচ সেইদিনাই অফিচত তোমাৰ কাম বেছি ওলায়, বজাৰলৈ গ’লেও সেই এখন দোকানতে সোমোৱাই দিয়া। যি ল’ব লগা আছে ইয়াতে লোৱা বুলি। বিয়া, জন্মদিন এইবোৰৰ ক্ষেত্ৰতো একেই। যাম যাম বুলি ৰেডি হৈও মুৰকত গিফ্‌ট এটা আনি দিবলৈয়ো সময়ে নোজোৰে। নিজে কৰিবলৈকো অ’টো বা ৰিক্সালৈ বহু দূৰ যাব লগা হয়। ল’ৰাক কিবাকিবি এটা খেলা-ধূলাতে দিওঁ বুলিলেও বহু দূৰ অহা-যোৱাতে সময়খিনি গুচি যায়। গাড়ীখনো তুমিয়েই নিয়া। এতিয়া তুমিয়েই ভাবাচোন, ইমানবোৰ মই কেনেকৈ চম্ভালিম।। চাবষ্টিটিউটি এটা থাকিলে মোৰ সহায়হে হ’ব। তেতিয়া আৰু কোনো কামৰ বাবে মই তোমালৈ ৰৈ নাথাকোঁ বুজিলা। তাৰ সহযোগত মই নিজেই সকলো কৰি ল’ম। সেয়েহে মই তাক উচিত দাম দি একেবাৰে লৈ অনাৰ কথা ভাবিলোঁ...।

“হে প্ৰভু। তুমি তাক কিনি লৈছা। ইমান সাহস হ’ল তোমাৰ? মই স্বয়ং মানুহজন উপস্থিত থাকোতেই তুমি কিনি অনা সেইপাতক মোৰ ঘৰত ৰাখিবা? নাই নহ’ব, মই তেনে হ’বলৈ কেতিয়াও নিদিওঁ। মই মানুহটো জীয়াই থাকোঁতে সেইবোৰ হ’বলৈ দিব নোৱাৰোঁ। এয়ে মোৰ শেষ কথা। আজিয়েই মই জেঠেৰিক মাতি পঠিয়াই কিবা এটা মীমাংসা কৰিবই লাগিব...”

“এ.. আহিলে আহিলে। মোৰ সকলো উৎকণ্ঠাৰ অন্ত পেলাই সি পালেহি...”

“কি প্ৰদীপ্ত? ছিঃ তুমি দেখিছোঁ সকলো সীমাই পাৰ কৰিলা। নিজৰ ল’ৰাৰ দৰে ভতিজাটোকো নেৰিলা...”

“হে প্ৰভু।। তুমি ইমান নীচ কেনেকৈ হ’ব পাৰিলা। পুত্ৰসম ভতিজাটোৰ লগত মোক সন্দেহ কৰিলা?”

“তোমাৰ সেই -- পৰকিতি নে কি সেইটো লৰা নাইতো? এই বয়সত মোৰ চৰিত্ৰলৈ আঙুলি তুলিলা। এনে দিনহে দেখিবলৈ আছিলে ঐ মোৰ ভাগ্যত...”

“এহ ৰ’বাচোন নিচিঞৰিবা এনেকৈ। তেন্তে। সিহে আহিছে, তাৰ লগততো কোনো নাই।”

“কিয় লগত সেয়া ৰঙাকৈ...”

“কি? তুমি তাৰমানে অতপৰে.......... এৰা, ঘৰখনত স্কুটি এখনৰ প্ৰয়োজনীয়তাৰ কথা মই আগেয়ে ভাবিব লাগিছিল...”

**প্ৰেৰণা মহন্ত**
**W/o ৰাজকুমাৰ পঞ্চম সিং**

## Happy Old Year....

How many of us really had a "Happy" Birthday lately? Well, in my case, it was during my school days. The term is relative and functionalist in nature and is directly or indirectly related to other aspects and circumstances of life. Although we are superficially aware of what happiness really is, we can't comprehend it only with some static factors such as health, wealth, occupation, achievement, knowledge, skill-set, social status etc., rather it is a culmination of all these variables together with all abstract and metaphysical attributes. The quest for happiness is such that its dynamics are governed and decided by our priorities and responsibilities intermingled with compromise and sacrifice.

Happiness, therefore, is a path function for it is the journey in which the essence is felt and realized. However, we shouldn't always hanker after absolute happiness as we will never achieve it in any wholesome form; in lieu we can add surplus ingredients to our present self with all the positivity, so that we achieve growth in terms of good qualities, somewhat analogous to the GDP of a nation. The focus shouldn't be on how much happy we are today but how much happier we are today with respect to the day before.

So, the New Year's arrival shouldn't be looked at with the same old expectations of happiness, zeal, spirit and safety. Our attitude should, wherefore, embrace with arms wide open - A happier and safer new year ahead.

**Dipankar Kakati, GET(Chem)**

### Employees retired from the service of APL from October - December 2021


Sri Atul Ch. Barman
Managing Director


Sri D. Bhattacharyya
GGM(P&M)


Sri S.K. Mahanta
GM(Maintenance)


Sri Rajib Sarma
Asstt. Mgr.(Prodn.)


Sri Dulal Hazarika
Asstt. Engr. (Elect.)


Sri Tukheswar Borgoyan
Supervisor (Tel.)


Abdul Hoque
Senior Peon


Sri Jugendra Nath Chetia
Sup.(Mech.)

## Welcome to APL Family

Ankur Sonowal, A.M.(Mech.), Rahul Borpatra, A.M. (Mech.), Bibhuti Kr. Barman, A.M. (Elect.), Pranab Barman, A.M. (Mech.), Angshuman Baruah, A.M.(Inst.), Jishnu Borgohain, A.M.(Mech.), Satyajit Phukan, A.M.(Elect.), Naba Jyoti Nath, A.M.( Prodn.), Samudyam Gogoi, A.M.(Mech.), Kaushik Baruah, A.M. (Prodn.), Abhilash Pathak, Dy. Manager (Inst.), Uddipta Gayon, A.M. (Mech.), Ritu Raj Saikia, A.M. (Inst.), Angshuman Pathak, A.M.(Inst.), Prasanta Senapoty, A.M. (Inst.), Bikash Ranjan Borah, A.M. (Inst._Proj.), Projwalita Borkakaty, TC, Hemanta Gogoi, Jr. Driver, Situ Gogoi, Jr. Driver, Pori Bokalial, Typist, Dhurba Jyoti Tiruwal, Typist, Jyotirekha Buragohain, T.C., Ajanata Sonowal, T.C., Rana Gogoi, Jr. Driver, Angshuman Dutta, PRO, Rashmi Rekha Borgohain, TC, Y. Shyamanta Singh, Upper Office Asstt., Runumi Kalita, Typist, Amarjyoti Buragohain, A.M.(Mech.), Rangamjeet Khound, Dy. Manager (Mech.), Debasish Bharadwaj, A.M.(Prod.), Ankur Jyoti Kalita, Typist, Hrishikesh Chowdhury, Dy. Manager ( Prodn.), Kapil Dev Roy, A.M. (Prodn.), Samujjal Deka, Dy. Manager (Prodn.), Arindam Paul, A.M.( Elect._Proj.), Pradeep Kr. Singh, A.M. (Elect._Proj.), Debashis Mohanty, Dy. Manager (Prod._ Proj.), Satyajit Baruah, Dy. Manager (Inst.)

## ঃ বালিচন্দা সময় ঃ (অনুগল্প)

নতুন প্ৰজেক্টৰ অন্তিম পৰ্যায়ৰ কাম-কাজ দ্ৰুতগতিত চলিছে। কমিচনিং প্ৰায় হওঁ হওঁ। এক ভাল লগা উৎসাহমুখৰ পৰিবেশ। নিযুক্তি পত্ৰ হাতত লৈ দলে-বলে নতুন মুখৰ আগমন।

ৰাজহুৱা উদ্যোগ প্ৰতিষ্ঠানটোৰ অধিকাংশ পুৰণি বিষয়া-কৰ্মচাৰীয়ে অৱসৰ গ্ৰহণ কৰি বিদায় লৈছে। সুগন্ধি সোঁৱৰণীৰ পৃষ্ঠা লুটিয়াই তেওঁলোক প্ৰায়েই নষ্টালজিক হৈ পৰে।

আজি উৎপাদন বিভাগৰ মহাপ্ৰৱন্ধক কিশোৰ পল্লৱ দত্তৰ কৰ্মস্থলীত অন্তিম দিন। উদ্যোগটোৰ প্ৰায় জন্মলগ্নতে যোগদান কৰা দক্ষ বিষয়া দত্ত ইয়াৰ বহু উত্থান-পতনৰ প্ৰত্যক্ষ সাক্ষী। আজি এক বৰ্ণিল জীৱন পৰিক্ৰমাৰ সামৰণি মাৰিব তেওঁ। নিঃসন্তান দত্তৰ বাবে উদ্যোগটো আছিল সন্তানৰ দৰে। অতি নিষ্ঠা আৰু আন্তৰিকতাৰে তেওঁ প্ৰতিটো দায়িত্ব যেন পিতৃৰ দৰেই পালন কৰিছিল।

ফেক্টৰীৰ মূল প্ৰবেশদ্বাৰত থিয় হৈ দত্তৰ অন্তৰাত্মা আবেগবিহ্বল হৈ উঠিল। কি যে এক বালিচন্দা সময়! আনন্দ-বিষাদৰ এক সংমিশ্ৰিত অনুভৱৰ জোৱাৰে টলবল কৰিছে তেওঁৰ হৃদয় সমুদ্ৰ। উদ্যোগটোৰ কাষতে স্থিতপ্ৰজ্ঞৰ দৰে থকা চিৰদণ্ডায়মান পাহাৰটোলৈ চাই হঠাৎ তেওঁৰ ভাৱ হ'ল, পুত্ৰৰ উত্তৰণৰ যাত্ৰা স্বচ্ছন্দে প্ৰত্যক্ষ কৰিবলৈ পোৱা আনন্দই যেন আজি তেওঁৰ বিদায়ৰ বিষাদকো ম্লান কৰি পেলাইছে।

ৰবী শইকীয়া চেতিয়া

**'Amar APL' Editorial Board :**

Advisors :
Shri Rajnesh Gogoi - Managing Director
Shri K.A. Murali - Director ( Finance)
Shri B. Choudhury - DGM(HR)
Editorial Committee:
Shri Manojyoti Borgohain - Editor
Shri Angshuman Dutta - Sub-editor
Shri Shyamanta Kr. Sarmah - Member
Shri Joydeep Dam - Member

*In the 6th issue of 'Amar APL' few of the important events may be left out which will be included in the next edition of the newsletter. We apologize for any unintentional error.*


Editorial Committee

**Follow COVID appropriate Protocols**



ART GALLERY

ভোক



Art by Roktim Deka, S/o Pratul Deka



